# উনৈশখন কলেজলৈ ঘাটিমঞ্জুৰি

প্ৰতিদিন সংবাদ

গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ চলিত বছৰৰ ভিতৰত উনৈশখন মহাবিদ্যালয়ক ঘাটিমঞ্জুৰি দিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি স্থানীয় কে চি মহাবিদ্যালয়ত অনুষ্ঠিত নৱাগত আদৰণি সভাত শিক্ষামন্ত্ৰী থানেশ্বৰ বড়োৱে এই ঘোষণা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ হিতেশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শিক্ষা মন্ত্ৰীগৰাকীয়ে বাণিজ্য শিক্ষাক আধুনিকীকৰণ কৰাত গুৰুত্ব দিয়ে। তেওঁ কয় যে সাম্প্ৰতিক সময়ৰ লগত সংগতি ৰাখি বাণিজ্য শিক্ষাৰ পাঠ্যক্ৰমৰ পৰিবৰ্তন কৰিব লাগিব আৰু আধুনিক বাণিজ্যিক ব্যৱস্থাৰ সৈতে খাপ খোৱা কৰি তুলিব লাগিব। আদৰণি সভাত স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিশিষ্ট অতিথি হিচাপে অংশ লয়।

অসমীয়া প্ৰতিদিন
11 th Sept. 1997.